# স্বৰ্ণপ্ৰভা মহন্ত



**ৰাজু বৰুৱা**

**“শোণিত সুবাস”** ঃ তেজপুৰ তথা শোণিতপুৰৰ বিশিষ্ট বৰেণ্য ব্যক্তিৰ গ্ৰন্থমালা। প্ৰকাশক অসমীয়া ক্লাব, তেজপুৰ, ৱাৰ্ড নং - ৫, পিন - ৭৮৪০০১

প্ৰকাশক ঃ সম্পাদক, অসমীয়া ক্লাব, তেজপুৰ
ৱাৰ্ড নং - ৫, পিন ঃ ৭৯৪০০১,

ঃ স্বৰ্ণপ্ৰভা মহন্ত
লিখক ঃ ৰাজু বৰুৱা

প্ৰচ্ছদ ঃ কুমুদ বৰুৱা, তেজপুৰ
সম্পাদক ঃ ৰুবুল শৰ্ম্মা
সম্পাদনা সহযোগী ঃ হেমন্ত কুমাৰ লহকৰ

© ঃ অসমীয়া ক্লাব, তেজপুৰ

প্ৰথম প্ৰকাশ ঃ এপ্ৰিল, ২০১৫

বৰঙণি ঃ ২০.০০ টকা

ছপা ঃ টাইকল ষ্টাইল ট্ৰেক, কুমাৰ গাঁও, তেজপুৰ

**Sonit Subash :** A Series of Books on the legendary persons of Tezpur, Sonitpur. Published by Asomiya Club, Tezpur, ward No - 5, PIN - 784001

# প্ৰকাশকৰ একাষাৰ

ইতিহাসক প্ৰগতিৰ দিশলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত কিছু বিশিষ্ট ব্যক্তিৰ বৰঙণি সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে উঠি অহা ন-প্ৰজন্ম আমাৰ বুৰঞ্জীৰ শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ সংশয়ে দেখা দিছে। আনহাতে স্বনামধন্য, বৰেণ্য ব্যক্তিৰ ঐতিহাসিক সামাজিক ভূমিকা সম্পৰ্কে ন-প্ৰজন্মক অবগত কৰোৱাৰ বিশেষ উদ্যোগ দেখা পোৱা নাযায়। এই ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও আশাব্যঞ্জক নহয় আৰু পঢ়াশালিৰ পাঠ্যপুঠিতো বিশেষ গুৰুত্ব দিয়া নহয়।

শোণিতপুৰ বা তেজপুৰত এনে বহু ব্যক্তি আছে যি একোটা যুগত দেশ, জাতি, সমাজ-সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া অৱদান ৰাখি গৈছে আৰু আজিও চৰ্চিত হৈ আছে। কিছু ব্যক্তিয়ে জীৱনৰ অধিক সময়েই সমাজৰ হিতৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি গ'ল; অথচ তেওঁলোকৰ অৱদান বালিৰ তলৰ মুকুতা হৈ পৰি আছে। এনে সকলো ব্যক্তিৰ উজ্বল দিশসমূহৰ এক সম্যক পৰিচয় জনমানসৰ ওচৰত তুলি ধৰাৰ পুনৰ প্ৰয়োজন হৈছে। এই লক্ষ্যত ''অসমীয়া ক্লাব, তেজপুৰ''এ শোণিতপুৰ বিশেষকৈ তেজপুৰৰ বৰেণ্য ব্যক্তিৰ পৰিচয়মূলক এলানি পুথি প্ৰকাশৰ দিহা কৰিছে।

ই এক জটিল তথা দুৰূহ কাম, যদিও ক্লাবে তেনে বিশিষ্ট ব্যক্তিৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰথমে কোন কোন ব্যক্তিক প্ৰাধান্য দিয়া হ'ব ? ইয়াৰ উত্তৰত আমি ঠিক কৰিছো যে অসমীয়া ক্লাবৰ সৈতে জড়িত হোৱা ব্যক্তিক প্ৰথমে আমি তুলি ধৰিম যদিও ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত ঠিয় হৈ আনসকলকো গুৰুত্ব দিয়া হ'ব। আনহাতে তেজপুৰৰ কিছু বৰেণ্য, বাটকটীয়া ব্যক্তি সমাজত তথা সমগ্ৰ অসমত বহুল চৰ্চিত হৈছে আৰু হৈ আছে; তেনে ব্যক্তিক সদ্যহতে আমি অন্তৰ্ভূক্ত কৰা নাই। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদি।

'অসমীয়া ক্লাবে' অহা ২০১৫ চনত শতবৰ্ষ উদ্‌যাপন কৰিব। তেতিয়ালৈ কমেও ২০খন পুথি প্ৰকাশৰ লক্ষ্য লৈছে। পৰ্য্যায়ক্ৰমে পাঁচখনকৈ পুথি প্ৰকাশ কৰা হ'ব। 'শোণিত সুবাস' নামেৰে এই গ্ৰন্থমালাৰ নামাকৰণ কৰা হৈছে। আমি নিৰ্দ্দিষ্ট ব্যক্তিৰ পৰিয়ালৰ লোকৰ দ্বাৰা পুথি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো যদিও আন লেখকৰ দ্বাৰাও এই প্ৰচেষ্টা চলোৱা হৈছে।

আমি বেটুপাতৰ প্ৰথম আৱৰণত অসমীয়া ক্লাবৰ জন্মলগ্নত জড়িত থকা আৰু অসমীয়া ক্লাবৰ আহুকালৰ সময়ত জড়িত প্ৰয়াত নমস্য ব্যক্তিৰ ছৱি সন্নিবিষ্ট কৰিছো। পিছৰ আৱৰণতো একেই আধাৰ গ্ৰহণ কৰা হৈছে।

বিশিষ্ট ব্যক্তিৰ চমু পৰিচয়মূলক পুথি প্ৰণয়নৰ ওপৰতেই প্ৰধানকৈ জোৰ দিছো, সেয়েহে মূল্যায়ন বা ব্যাখ্যা কৰাৰ পৰা বিৰত আছো। লগতে নিৰ্দ্দিষ্ট ব্যক্তিৰ কোনো বিশেষণো আমি নামৰ সৈতে যুক্ত কৰা নাই; যদিও জনপ্ৰিয় উপাধিৰ সম্পৰ্কে লিখনিত প্ৰকাশ কৰাত কাৰ্পন্যও কৰা নাই। সৰু হাতপুথিৰ লেখিয়াকৈ প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সম্পাদনাও কৰিবলগীয়া হৈছে। তাৰবাবে ক্লাবে শ্ৰী ৰুবুল শৰ্মাক দায়িত্ব দিয়ে।

সম্পাদনাৰ ক্ষেত্ৰত লোৱা পদ্ধতি হ'ল, যি পুথিৰ পাণ্ডুলিপিৰ কলেৱৰ প্ৰয়োজনতকৈ দীঘল হৈছে তাক চমু কৰিবলৈ চেষ্টা কৰা হৈছে; যদিও লিখকৰ মূল কথা বা গুৰুত্বপূৰ্ণ তথ্য অক্ষত ৰখা হৈছে। একেদৰে চমু হোৱা পাণ্ডুলিপিৰ কলেৱৰ বঢ়োৱা হৈছে। যিসকল বৰেণ্য ব্যক্তি অসমীয়া ক্লাৱৰ সৈতে জড়িত আছিল, সেইসকলৰ ক্লাবৰ সৈতে থকা সম্পৰ্ক তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

পাণ্ডুলিপি প্ৰস্তুত কৰা ব্যক্তিৰ একাংশ নিয়মীয়া লেখক নহয়। গতিকে আমি সাহিত্যতকৈ নিৰ্দ্দিষ্ট ব্যক্তিৰ ঐতিহাসিক, সামাজিক পৰিসৰত নিজস্ব অবদান, ত্যাগ তথা কৰ্মৰ ওপৰত বিশেষ গুৰুত্ব দিছো। বানান বিভ্ৰাট কমাবলৈ অশেষ চেষ্টা কৰা হৈছে যদিও সফলকাম হ'ব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

আমি প্ৰকাশিত পুথিৰ অৰিহণা নিৰ্দ্ধাৰণ কৰিছো তথাপিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা ব্যক্তিৰ বৰঙণিও আশা কৰিছো। যাতে ধাৰাবাহিক ভাবে এনে পুথি প্ৰকাশ কৰাত অসমীয়া ক্লাব আৰ্থিক দৈন্যত নপৰে।

যিসকলে লিখা প্ৰস্তুত কৰি দি ক্লাবৰ এই মহান কামত সহায় কৰিলে, বেটুপাতৰ প্ৰচ্ছদ আঁকি শ্ৰদ্ধেয় কুমুদ বৰুৱাই যি সহায় কৰিলে, যি সকলে বিভিন্ন তথ্য সৰবৰাহ কৰি সহায়ৰ হাত আগবঢ়ালে সেই সকলোলৈকে অসমীয়া ক্লাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে 'টাইকল' প্ৰেছৰ সমূহ কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমীয়া ক্লাবৰ এই মহান উদ্যোগক আগুৱাই নিয়াৰ বাবে সকলোৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ কামনা কৰো।

**- অসমীয়া ক্লাব, তেজপুৰ**

ভাৰতবৰ্ষৰ স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জীত শোণিতপুৰ জিলাৰ নাম তেজৰ আখৰেৰে লিখা আছে। ১৯২১ চনৰ অসহযোগ আন্দোলনত অসমৰ ভিতৰতে প্ৰথমে নেতৃত্ব প্ৰদান কৰিছিল শোণিতপুৰ জিলাৰ তেজপুৰেই।

১৯২০ চনৰ ২০ জুলাইত বেনাৰচত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে বিদেশী বস্তু, শিক্ষা, চাকৰি বৰ্জন তথা কৰ-কাটল বন্ধ কৰাৰ প্ৰস্তাৱেৰে অসহযোগ আন্দোলন আৰম্ভ কৰে। কংগ্ৰেছৰ এই প্ৰস্তাৱৰ বিষয়ে আলোচনা কৰিবলৈ তেজপুৰতেই প্ৰথম এক জৰুৰী অধিৱেশন অনুষ্ঠিত হয়। অসহযোগ আন্দোলনৰ এজন পূৰ্ণ সমৰ্থক কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা প্ৰমুখ্যে কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণ ৰাম ফুকন, কুলধৰ চলিহা আদি সকলৰ সহযোগত অসমতো অসহযোগ আন্দোলন হয়। ১৯২২ চনৰ ৫ ফেব্ৰুৱাৰীৰ চৌৰিচৌৰাৰ ঘটনাৰ পাছত মহাত্মা গান্ধীয়ে 'দেশবাসী অসহযোগ আন্দোলনৰ বাবে উপযুক্ত হোৱা নাই' বুলি কৈ অসহযোগ আন্দোলন বন্ধ কৰে। মহাত্মা গান্ধীৰ এই সিদ্ধান্তক প্ৰতিবাদ কৰি কঠিন ভাষাৰে চিঠি প্ৰেৰণ কৰা ব্যক্তিজন আছিল সেই সময়ৰ টি বি ৰোগাক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা তেজপুৰৰ কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা।

বিয়াল্লিশৰ গণ বিপ্লৱৰ তেজাল স্বাক্ষৰ গহপুৰ, ঢেকিয়াজুলি, চতিয়া, বিহালী। ১৯৩০-৩২ ৰ আইন অমান্য আন্দোলন আৰু ১৯৪২ ৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণকাৰী নিৰস্ত্ৰ জনতাৰ ওপৰত নিৰ্বিচাৰ গুলীচালনা কৰি বৃটিছ নেতৃত্বাধীন পুলিচ বাহিনীয়ে নিৰীহ প্ৰতিবাদকাৰীৰ তেজেৰে ৰাঙলী কৰিছিল শোণিতপুৰৰ ভূমি। অদম্য সাহস আৰু ত্যাগৰ চানেকি দাঙি ধৰা বিয়াল্লিছৰ গণ-বিপ্লৱত অসমৰ প্ৰতিবাদী জনগণ যদি এঠাইত অস্ত্ৰ-শস্ত্ৰৰে সুসজ্জিত বৃটিছ বাহিনীৰ সমুখত স্বাধীনতাৰ অধিকাৰৰ দাবীত নিৰ্বিচাৰ মৰণৰ বলি হৈছিল, আন ক'ৰবাত অহিংসভাৱে সত্যাগ্ৰহ কৰিবলৈ গৈ সাম্ৰাজ্যবাদী বৃটিছ শাসক, পুলিচৰ বুলেটৰ আঘাতত ঢলি পৰিছিল আৰু আন ক'ৰবাত আকৌ বৃটিছ সাম্ৰাজ্যবাদীৰ স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে মুক্তি পিয়াসী ৰাইজে সশস্ত্ৰ কাৰ্যকলাপক খামুচি ধৰিছিল। কিন্তু ৪২ গণ-বিপ্লৱত গহপুৰ, ঢেকিয়াজুলিত বৃটিছ নেতৃত্বাধীন পুলিচ বাহিনীয়ে অহিংস প্ৰতিবাদীৰ বুকুৰ তেজেৰে



ইতিহাসত কুখ্যাতি আৰ্জিলে। শ্বহীদৰ বুকুৰ উষ্ণ ৰক্তেৰে স্বদেশ প্ৰেমৰ তেজাল ইতিহাস লিপিবদ্ধ হ'ল।

স্বাধীনতা আন্দোলনত তেজপুৰৰ কেবাগৰাকীও স্বনামধন্য, ইতিহাস প্ৰসিদ্ধ ব্যক্তিয়ে অতুলনীয় অৱদান আগবঢ়াই গৈছে। লক্ষীধৰ শৰ্মা, অমিয় কুমাৰ দাস, পুস্পলতা দাস, বিজয় চন্দ্ৰ ভাগৱতী, বিজয় শৰ্মা, মহাদেৱ শৰ্মা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভাৰ পৰা কমলা প্ৰসাদ আগৰৱালালৈকে বিশিষ্ট ব্যক্তিসকলে স্বাধীনতা সংগ্ৰামত বলিষ্ঠভাৱে অংশগ্ৰহণ কৰি ৰাইজক নেতৃত্ব দিছিল। এইসকলৰ কেইবাগৰাকীয়েও মন্ত্ৰী, বিধায়ক ৰূপে কৰ্মদক্ষতা দেখুৱাই গৈছে। এহাতেদি সংগ্ৰামত অৱতীৰ্ণ হৈ, আনহাতে শাসনৰ গাদীতো বহি অনাড়ম্বৰ জীৱন যাপন, নৈতিকতা-পৰম্পৰাক ঊৰ্ধ্বত তুলি ধৰা সেইসকল ব্যক্তি আজিও আমাৰ সমুখত নমস্য ব্যক্তি হৈ আছে। তেখেতসকলৰ কৰ্মৰ চানেকি আছিল দুৰ্নীতিৰ উৰ্দ্ধত।

সাম্প্ৰতিক সময়ত অসমৰ ৰাজনৈতিক ক্ষেত্ৰত সেই দৃশ্যপট আৰু নাই। দুৰ্নীতিপৰায়ণ মানুহ আমাৰ নেতা হৈছে।

উল্লিখিত বৰেণ্য ব্যক্তিসকলৰ ভিতৰত মুক্তিযুঁজাৰু, ১৯৪২ৰ স্বাধীনতা আন্দোলনৰ মৃত্যু বাহিনীৰ সৈনিক, আজীৱন সমাজকৰ্মী স্বৰ্ণপ্ৰভা মহন্ত উত্তৰসুৰীৰূপে আমাৰ মাজত আছিল, যাক ২০১০ চনৰ ২৪ ডিচেম্বৰত আমি অসমবাসীয়ে হেৰুৱালোঁ। স্বৰ্ণপ্ৰভা মহন্তক সেই পৰম্পৰাৰ উত্তৰ সাধক আছিল বুলি ক'লে কেতিয়াও অত্যুক্তি কৰা নহ'ব, এই পৰম্পৰা, সংস্কৃতি তেখেতৰ হিয়াত অন্তিম সময়লৈকে শোণিতৰ দৰে প্ৰবাহিত হৈ আছিল।

একমাত্ৰ গণতন্ত্ৰ প্ৰতিষ্ঠাৰ লক্ষ্যত এক অনাড়ম্বৰ জীৱন-যাপন কৰা, ক্ষমতাৰ প্ৰতি কোনো মোহ নথকা, স্বাধীনতা সংগ্ৰামৰ অক্লান্ত সৈনিক স্বৰ্ণপ্ৰভা মহন্তৰ স'তে মোৰ প্ৰথম পৰিচয় ঘটে ১৯৯০ চনত। প্ৰথম সাক্ষাততে তেখেতৰ তীক্ষ্ণধী ৰূপ, বাকপটুতা, মেধা, সাহসী গুণৰ স'তে মই পৰিচয় হওঁ। এক প্ৰখৰ অধ্যয়ন পিপাসু মনৰ অধিকাৰী স্বৰ্ণপ্ৰভা মহন্তই- যাক মই বাইদেউ বুলি সম্বোধিছিলোঁ- কৈছিল,'মোৰ বহুত কিতাপ আছে, এইবোৰ নি নি পঢ়িবা।' ১৯৯০ চনৰ পৰা ২০০০ চনলৈ বাইদেউক মাজে মাজেহে মই লগ পাইছিলোঁ মাকুমৰ পৰা তেজপুৰলৈ যেতিয়া আহোঁ। ২০০১ চনত তেজপুৰলৈ

মই স্থায়ীভাৱে গুচি অহাত স্বৰ্ণপ্ৰভা বাইদেউৰ লগত ঘনিষ্ঠ হোৱাৰ সুযোগ ঘটে।

সভাই-সমিতিয়ে, বিভিন্ন শিক্ষানুষ্ঠানত স্বৰ্ণ বাইদেউৰ তেজস্বী, পৰশেৰে সজীৱ বক্তব্যবিলাক শুনোঁ, আত্মবিশ্বাস গাঢ় কৰে। তেতিয়াৰ পৰাই স্বৰ্ণ বাইদেউৰ এটি সাক্ষাৎকাৰ গ্ৰহণৰ ইচ্ছা মই মনত পুহি ৰাখিছিলোঁ। ৪২'ৰ স্বাধীনতা আন্দেলনৰ মৃত্যু বাহিনীৰ সৈনিক তেজস্বিনী স্বৰ্ণপ্ৰভা মহন্তৰ সাক্ষাৎগ্ৰহণৰ সুযোগৰ অপেক্ষাত আছিলোঁ যদিও তেখেতৰ অসুস্থতাই সদায় মোক পিছুৱাই ৰাখিছিল।

শেষত যেনিবা আমাৰ পাৰস্পৰিক সদিচ্ছাই ফল দিলে। স্বৰ্ণপ্ৰভা মহন্তই মোক সাক্ষাতৰ অনুমতি দিয়াৰ লগতে সময়ো নিৰ্ধাৰণ কৰি দিলে। তেখেতে আমনি নোপোৱাকৈ, অসুস্থতাৰ মাজতে যোৱা ২০০৯ৰ প্ৰথম ভাগতেই সাক্ষাৎগ্ৰহণ সম্পূৰ্ণ কৰিছিলোঁ। প্ৰখৰ স্মৃতিৰ অধিকাৰী স্বৰ্ণপ্ৰভা মহন্তই নিৰৱচ্ছিন্নভাৱে অথচ লাহে লাহে মই লিখিব পৰাকৈ বৰ্ণময় জীৱনৰ কথাবোৰ কৈ গৈছিল আৰু লিপিবদ্ধ কৰিছিলোঁ। কেইবাটাও অসুখে পীড়া দি থকা স্বৰ্ণ বাইদেউক মাজে মাজে অসহিষ্ণু কৰি তুলিছিল, হ'লেও মনৰ অদম্য শক্তি-সাহসে তেখেতক উজ্জীৱিত কৰি পুনৰ বাগ্মিতা প্ৰদান কৰিছিল।

**স্বৰ্ণপ্ৰভা মহন্তৰ জীৱন পৰিক্ৰমা ঃ**

১৯২৪ চনৰ ২৪ মাৰ্চত তেজপুৰৰ দ-পৰ্বতীয়াৰ তুলসী নাৰায়ণ মহন্ত আৰু বোধকান্তি মহন্তৰ সন্তান স্বৰ্ণপ্ৰভাই জন্ম গ্ৰহণ কৰে। চতিয়াৰ শলাল গাওঁ এম. ভি. স্কুলত স্বৰ্ণপ্ৰভাই প্ৰাথমিক শিক্ষা গ্ৰহণ কৰে। ১৯৩২ চনত বৃত্তিসহ এম. ভি. পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত তেজপুৰত হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰে। দশম শ্ৰেণীত তেখেতে শিক্ষা বয়কট কৰি আন্দোলনত নামে। এই সময়তে তেখেতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ সান্নিধ্যলৈ আহে আৰু জ্যোতিপ্ৰসাদৰ পৰামৰ্শ মতেই বৃহত্তৰ পৰ্বতীয়া স্বদেশী মহিলা সমিতি গঠন কৰি পৰিচালনাৰ দায়িত্ব গ্ৰহণ কৰে ১৯৩৭ চনত। ১৯৪২ৰ ভাৰত স্বাধীনতা আন্দোলনৰ মৃত্যু বাহিনীৰ সৈনিক স্বৰ্ণপ্ৰভা মহন্তলৈ গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰে। ব্ৰিটিছৰ গুপ্তচৰ বাহিনীৰ পৰা হাত সাৰিবৰ বাবে আত্মগোপন কৰিবলৈ



তেওঁ বাধ্য হয়। বিপদসংকুল পৰিস্থিতিৰ মাজতো মেধাৱী স্বৰ্ণপ্ৰভাই গণিত আৰু সংস্কৃতত 'লেটাৰ' সহ মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। প্ৰাইভেটকৈ বি. এ. পাছ কৰাৰ পিছত স্বৰ্ণপ্ৰভাই ১৯৫৭ চনত বি টি আৰু ১৯৬২ চনত অসমীয়া বিষয়ত এম এ ডিগ্ৰী লয়। স্বাধীনতা লাভৰ পিছত শিক্ষয়িত্ৰী হিচাপে তেওঁ কাৰ্যনিৰ্বাহ কৰে। চতিয়া হাইস্কুলত ১৯৫০ৰ পৰা ১৯৭২ চনলৈ শিক্ষকতা কৰে। ১৯৭২ চনত স্বৰ্ণপ্ৰভাই চতিয়া সমষ্টিৰ পৰা অসম বিধানসভালৈ নিৰ্বাচিত হয়। এই পদত তেখেতে নিৰ্বাচিত হৈ অসম চৰকাৰৰ সমাজ কল্যাণ আৰু ৰেচম বিভাগৰ মন্ত্ৰী হিচাপে ১৯৭৬ চনলৈ কাৰ্যনিৰ্বাহ কৰে।

ক্ষমতা লাভৰ প্ৰতি চূড়ান্ত অনীহা, অনাড়ম্বৰ সহজ-সৰল জীৱন যাপন কৰা স্বৰ্ণপ্ৰভাই গণতন্ত্ৰ প্ৰতিষ্ঠাৰ হকেই আমৃত্যু চিন্তা, চেষ্টা আগবঢ়াই গ'ল। ত্যাগৰ দৃষ্টান্তৰে জীৱন্ত কিংবদন্তি ৰূপে পৰিচিত হৈ স্বৰ্ণপ্ৰভা দৰাচলতেই হৈ পৰিছিল ত্যাগৰ প্ৰতিমূৰ্তি স্বৰূপ। স্বৰ্ণপ্ৰভা মহন্তই অবিবাহিত জীৱন যাপন কৰিছিল।

২০১০ চনৰ ২৪ ডিচেম্বৰত এইগৰাকী বুদ্ধিদীপ্ত, স্থিতপ্ৰজ্ঞা, মুক্তিবাহিনীৰ সৈনিকে ইহলীলা সম্বৰণ কৰে।

**ছাত্ৰী হিতসাধনী সভা আৰু শিশু সংগঠক স্বৰ্ণপ্ৰভা ঃ**

১৯৩০ চন, ৭ বছৰ বয়সতে স্বৰ্ণপ্ৰভাৰ শিশু প্ৰাণত মুক্তি চেতনাৰ উন্মেষ ঘটে আৰু শিশু ধেমালি এৰি ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰে। সেই সময়ত স্বৰ্ণপ্ৰভাৰ মাহীয়েক আৰু মোমায়েক ক্ৰমে দীনকান্তি মহন্ত আৰু প্ৰবোধ চন্দ্ৰ মহন্তৰ স্বাধীনতা আন্দোলনৰ কাৰ্যসূচীত অংশগ্ৰহণ, কানিবিৰোধী আন্দোলনৰ জড়িত হোৱা আদি ঘটনাই শিশু স্বৰ্ণপ্ৰভাক আন্দোলনৰ প্ৰতি আগ্ৰহী কৰিছিল। স্বৰ্ণপ্ৰভাৰ ঘৰখনেই আছিল ভলণ্টিয়াৰৰ আড্ডা। ফলস্বৰূপে স্বদেশী আন্দোলনৰ স্বেচ্ছাসেৱকসকলক উজ্জীবিত কৰিবলৈ স্বৰ্ণপ্ৰভা শিল্পী বাহিনীৰ স'তে জড়িত হৈ পৰে। স্বেচ্ছাসেৱকসকলৰ কুচকাৱাজ স্বৰ্ণপ্ৰভাই দেখি দেখিয়েই অনুশীলন কৰিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ সহযোগী, চতিয়াৰ গান মাষ্টাৰ গোলোক শইকীয়াই ডিঙিত হাৰমনিয়াম বান্ধি আন্দোলনৰ পুজিঁৰ বাবে অৰ্থ সংগ্ৰহ কৰিছিল।

মাহীয়েকৰ প্ৰেৰণাত স্বৰ্ণপ্ৰভায়ো গীত গাই অৰ্থ সংগ্ৰহৰ কাৰ্যসূচীত নামি পৰে। এই গীত গোৱা আৰু অৰ্থ সংগ্ৰহেই এসময়ত সুৰ বাহিনীৰ দৰে হৈ পৰিছিল।

শৈশৱত স্বৰ্ণপ্ৰভাই নিজ পৰিয়ালৰ সদস্যসকলৰ প্ৰেৰণাতে সামাজিক কাম-কাজৰ স'তে যুক্ত হৈ পৰে। ১৯৩৪ চনত স্বৰ্ণপ্ৰভা যেতিয়া চতুৰ্থ শ্ৰেণীৰ ছাত্ৰী, তেতিয়াই চতিয়াৰ শলাল গাওঁ প্ৰাইমাৰী বিদ্যালয়লৈ শিক্ষয়িত্ৰী হিচাপে যোগদান কৰা বিজয় চন্দ্ৰ ভাগৱতীৰ ভগ্নী পূৰ্ণদা ভাগৱতীৰ নেতৃত্বত গঢ় লোৱা ছাত্ৰীৰ হিতকৰ অনুষ্ঠান 'ছাত্ৰী হিত সাধনী সভা'ৰ তেওঁ সম্পাদিকা হয়। 'ছাত্ৰী হিত সাধনী সভা' আছিল ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ এক অনুষ্ঠান। শ্ৰেণীত 'কেপ্তেইন' হিচাপে দায়িত্ব গ্ৰহণ কৰা স্বৰ্ণপ্ৰভাই ছাত্ৰীৰ হিতৰ বাবে মানসিক বিকাশৰ স্বাৰ্থত ৰচনা প্ৰতিযোগিতা, শংকৰ-মাধৱৰ আদৰ্শৰাজি আলোচনাৰ বাবে সভা আদিৰ আয়োজন কৰিছিল। ইয়াত স্বৰ্ণপ্ৰভাই সংগঠকৰ ভূমিকা পালন কৰিছিল।

**স্বাধীনতা সংগ্ৰামৰ সৈনিক স্বৰ্ণপ্ৰভা ঃ**

স্বৰ্ণপ্ৰভাৰ চেতনাত স্বাধীনতা সংগ্ৰামৰ উন্মেষ ঘটে সাত বছৰ বয়সতে। ছাত্ৰী হিত সাধনী সভা, গীত গাই আন্দোলনৰ পুঁজিলৈ অৰ্থ সংগ্ৰহ কৰা আদি সাংগঠনিক কাম-কাজৰ মাজেদি স্বৰ্ণপ্ৰভাৰ মনত পৰাধীনতাৰ শৃংখল মোচনৰ তাড়না সুতীব্ৰ হয়। সাত বছৰ বয়সতে স্বদেশী আন্দোলনৰ স্বেচ্ছাসেৱক বাহিনীক উজ্জীৱিত কৰিবলৈ স্বৰ্ণপ্ৰভা শিল্পী বাহিনীৰ সৈতে জড়িত হৈ পৰে। ১৯৩০ চনত চতিয়াত মাহীয়েক দীনকান্তি মহন্ত আৰু মোমায়েক প্ৰবোধ চন্দ্ৰ মহন্তৰ প্ৰেৰণাত স্বৰ্ণপ্ৰভা আন্দোলনৰ কামৰ প্ৰতি আগ্ৰহী হয়। এই দুয়োজনে কানি বিৰোধী আন্দোলন আৰু স্বাধীনতা সংগ্ৰামৰ সৈতে ওতঃপ্ৰোতভাৱে আত্মনিয়োগ কৰিছিল। স্বৰ্ণপ্ৰভাই স্বদেশী আন্দোলনৰ গীত-মাত পৰিৱেশন কৰিছিল, সূতা কাটিছিল। মোমোয়েক প্ৰবোধ চন্দ্ৰ মহন্তই স্কুলৰ চাকৰি এৰি গহন চন্দ্ৰ গোস্বামীৰ লগ লাগি ভলন্টিয়াৰ বাহিনী গঠন কৰে। ভলন্টিয়াৰ বাহিনীৰ আপোন ঘৰলৈ পৰিবৰ্তন হোৱা স্বৰ্ণপ্ৰভাহঁতৰ ঘৰতেই কুচকাৱাচ দেখি তেওঁ অকলেই অনুশীলন আৰম্ভ কৰে। গহন চন্দ্ৰ



গোস্বামীৰ সৈতে স্বৰ্ণপ্ৰভাৰ সম্পৰ্ক অতি ওচৰৰ আছিল আৰু '৪২ ৰ আন্দোলনৰ সহযাত্ৰী আছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ সহযোগী চতিয়াৰ গান মাষ্টৰ গোলোক শইকীয়াই ডিঙিত হাৰমনিয়াম ওলমাই গীত গাই কংগ্ৰেছৰ ফাণ্ডলৈ টকা তুলিছিল; এসময়ত সুৰ বাহিনীৰ দৰে হৈ পৰা এই সংগীত অভিযানৰ স্বৰ্ণপ্ৰভাও অংশীদাৰ হৈ পৰিছিল, অৰ্থ সংগ্ৰহ কৰিছিল।

তেৰ বছৰ বয়সতে স্বৰ্ণপ্ৰভা মহিলা সমাজক সংগঠিত কৰাৰ প্ৰতি আগ্ৰহী হয়। তেওঁৰ এই আগ্ৰহৰ মূলতেই আছিল স্বাধীনতা সংগ্ৰামৰ বাবে মহিলা সমাজক সংগঠিত কৰাৰ লক্ষ্য। কিয়নো তেওঁৰ কিশোৰী অৱস্থাত সেই সময়ত নাৰীৰ অধিকাৰ বোলা শব্দটো আজিৰ দৰে জনপ্ৰিয় নাছিলেই। ১৯৩৭ চনত স্বৰ্ণপ্ৰভা তেজপুৰ ছোৱালী হাইস্কুলত শিক্ষাগ্ৰহণ কৰিবলৈ আহে। এই সময়তে তেখেতৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সৈতে পৰিচয় হয়। আগৰৱালাদেৰৰ নাৰী সংগঠন এটি গঢ়ি তোলাৰ প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই স্বৰ্ণপ্ৰভা সেই দিশে আগবাঢ়ে আৰু আন্দোলনৰ প্ৰচাৰ, অৰ্থ সংগ্ৰহ আৰু নাৰী সমাজক সংগঠিত হোৱাৰ আহ্বান ইত্যাদি কামৰ আঁচনি লয়। এহাতেদি নাৰী তথা সামগ্ৰিকভাবে ৰাইজক আন্দোলনৰ স্বাৰ্থত সংগঠিত কৰা, বুজোৱা আৰু অন্যহাতেদি নাৰী সমাজক একত্ৰিত কৰি ৰাখিবৰ বাবে সাংস্কৃতিক কাৰ্যসূচী গ্ৰহণ, এই দুয়োটা কামকে কম বয়সীয়া স্বৰ্ণপ্ৰভাই সমান্তৰালভাবে আগুৱাই নিবলৈ সক্ষম হৈছিল। যি কি নহওক, ১৯৩৭ চনত তেজপুৰৰ বৃহত্তৰ পৰ্বতীয়া অঞ্চলক সামৰি বৃহত্তৰ পৰ্বতীয়া স্বদেশী মহিলা সমিতি গঠন হয় আৰু স্বৰ্ণপ্ৰভা প্ৰতিষ্ঠাপক সম্পাদিকা হয়। তেওঁ এই পদত ১৯৪১ চনলৈকে থাকে।

প্ৰথম বছৰত বৃহত্তৰ পৰ্বতীয়া স্বদেশী মহিলা সমিতিয়ে 'জয়মতী' নাট অভিনয় কৰে। দ্বিতীয় বছৰত বাৰ্ষিক অধিবেশন অনুষ্ঠিত কৰা হয়, ইয়াত সভাপতিত্ব কৰিছিল তেতিয়াৰ তেজপুৰ লোকেল বৰ্ডৰ চেয়াৰমেন পদ্মকান্ত শৰ্মাই। তৃতীয় বছৰত সভাপতি আছিল লোকনায়ক অমিয় কুমাৰ দাস। তেখেতে সভাত উপস্থিত থাকিব নোৱাৰি স্বৰ্ণপ্ৰভাক এটা যঁতৰ উপহাৰ দিয়ে, যিটো '৪২ চনত মিলিটেৰীয়ে ভাঙি পেলায়।

ছাত্ৰী হিচাপে তেজপুৰত অধ্যয়ন কৰি থকা সময়তে স্বৰ্ণপ্ৰভা ১৯৩৯

চনৰ পৰা ১৯৪২ চনলৈ ছাত্ৰ ফেডাৰেচনৰ সম্পাদক আছিল। পৰ্বতীয়া স্বদেশী মহিলা সমিতি কৰাৰ সময়ত বিশ্বদেৱ শৰ্মাৰ অনুৰোধ মৰ্মে ছোৱালী স্কুলত ছাত্ৰ ফেডাৰেচনৰ এটা শাখা খোলে। স্বৰ্ণপ্ৰভাই প্ৰতিষ্ঠাত্ৰী সম্পাদিকা হিচাপে চাৰি বছৰ ধৰি এই পদত থাকি কাৰ্য নিৰ্ব্বাহ কৰে। ১৯৪১ চনত গুৱাহাটীত কটন কলেজৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত এক লাঠি চাৰ্জ কৰা ঘটনাক ধৰি স্বৰ্ণপ্ৰভাই এক ধৰ্মঘটত নেতৃত্ব প্ৰদান কৰে। এই লাঠি চাৰ্জৰ ঘটনাত নিৰ্মলা দাস নামৰ এগৰাকী মহিলা আহত হয়। ধৰ্মঘটৰ ঘটনাৰ পাছত এমাহৰ বাবে স্বৰ্ণপ্ৰভাক চাচপেণ্ড কৰা হ'ল। ফলত স্বৰ্ণপ্ৰভাৰ মেধাবৃত্তি কটা যায় আৰু স্কুলৰ পৰা নিলম্বিত হ'ব লগা হয়। ১৯৪১ চনত ছাত্ৰ ফেডাৰেচনৰ অধিবেশন অনুষ্ঠিত হয় আৰু ইয়াত অসম বিধান সভাৰ অধ্যক্ষ হৰেশ্বৰ গোস্বামীয়ে মুখ্য অতিথি হিচাপে আসন গ্ৰহণ কৰে। স্বৰ্ণপ্ৰভাইও এই অধিবেশনত প্ৰতিনিধিত্ব কৰে।

১৯৪১ চনত স্বৰ্ণপ্ৰভা পুনৰ স্কুলৰ ছাত্ৰীবাসলৈ উলটি যায় আৰু নিজৰ যঁতৰত সূতা কটা আৰম্ভ কৰে। কংগ্ৰেছৰ কৰ্মী হ'বলৈ হাতে কটা সূতা এনেছা বৰঙণি হিচাপে দি কংগ্ৰেছৰ সদস্য পদ গ্ৰহণ কৰে। ১৯৪১ চনত বৰ বাকৰিত হোৱা সন্মিলনত বেছেৰীয়া আৰু পৰ্বতীয়াৰ দুগৰাকী মহিলাৰ সৈতে স্বৰ্ণপ্ৰভাই অংশগ্ৰহণ কৰে।

১৯৪২ চনত বিহুৰ সময়ত দ্বিতীয় বিশ্বযুদ্ধৰ সেনা বাহিনীয়ে বিদ্যালয়ৰ ছাত্ৰীবাসটো ব্যৱহাৰৰ বাবে গ্ৰহণ কৰাত স্বৰ্ণপ্ৰভাহঁতে ছাত্ৰীবাস এৰি গৃহাভিমুখী হয় আৰু চতিয়াত গৈ উপস্থিত হয়। পিছত সেনা বাহিনীয়ে ছাত্ৰীবাস খালি কৰি দিয়াত প্ৰধান শিক্ষকে স্বৰ্ণপ্ৰভাক মাতি পঠিয়ায়। কিন্তু স্বৰ্ণপ্ৰভা ইতিমধ্যে মনে প্ৰাণে স্বাধীনতা আন্দোলনৰ গভীৰত সোমাই পৰে। প্ৰধান শিক্ষকৰ আহ্বান প্ৰত্যাহ্বান কৰি তেওঁ পোনে পোনে আন্দোলনৰ কাৰ্যসূচীত নামি পৰে।

স্বাভাৱিক ভাৱেই দশমশ্ৰেণীৰ পাঠ্যক্ৰম শেষ কৰিও স্বৰ্ণপ্ৰভাই পৰীক্ষাৰ বাবে প্ৰস্তুত হ'ব নোৱাৰিলে। স্বৰ্ণপ্ৰভাৰ দেউতাকৰ জীয়েকৰ ওপৰত থকা আশাই যেন মৰহি যাব বিচাৰিলে। এই সময়ত স্বৰ্ণপ্ৰভালৈ বহুকেইজন সহানুভূতিশীল ব্যক্তিৰ পৰা শিক্ষা সমাপ্ত কৰাৰ সুযোগ-সুবিধা



প্ৰদানৰ আহ্বান আহিছিল, কিন্তু তেওঁৰ পৰৰ ধনেৰে শিক্ষা গ্ৰহণৰ অভিলাষ নাছিল। আকাংক্ষা আছিল প্ৰৱেশিকা পৰীক্ষা সুখ্যাতিৰে সমাপ্ত কৰি স্বাৱলম্বী হৈ পৰিয়ালক সকাহ দিব। কিন্তু স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে জড়িত হৈ আন্দোলনত নামি পৰা স্বৰ্ণপ্ৰভাই সেই আকাংক্ষাৰ বাটেদি আগুৱাই যাব নোৱাৰিলে।

এনেতে এদিন 'অসম সেৱক' কাকতত মহাত্মা গান্ধী গ্ৰেপ্তাৰৰ খবৰ ওলাল। 'অসম সেৱক'ৰ সম্পাদক আছিল বিজয় চন্দ্ৰ ভাগৱতী। চনটো ১৯৪২ ৰ ৮ আগষ্ট। মহাত্মা গান্ধীৰ গ্ৰেপ্তাৰৰ খবৰ ওলোৱাৰ লগে লগে স্বৰ্ণ প্ৰভাও গাঁৱত প্ৰশ্নৰ সন্মুখীন হ'ল, এতিয়া কৰণীয় কি হ'ব ? স্বৰ্ণপ্ৰভা ইমানদিনে প্ৰধানকৈ যুক্ত আছিল সাংগঠনিক কামত গঠনমূলক দিশত। ছাত্ৰ সকলেই প্ৰধানকৈ আন্দোলনত ভূমিকা লয়। ছাত্ৰ-ছাত্ৰীসকলে ধৰ্মঘট কৰিবলৈ ওলোৱাত প্ৰায় পঞ্চাশ গৰাকী ছাত্ৰীক নেতৃত্ব দি স্বৰ্ণপ্ৰভা কছাৰী গাঁৱত উপস্থিত হয়।

মালৌ আলি, ভকত গাঁও আদি কেইবাখনো ঠাইত সভা অনুষ্ঠিত হয়। ইয়াৰ পাছত তেজপুৰৰ নেতাসকলকো লৈ চতিয়াত কংগ্ৰেছ ছাত্ৰ সমিতি গঠন হয়। সেই সভাতে স্বৰ্ণপ্ৰভাক সদৌ চতিয়া কংগ্ৰেছ মহিলা সভাৰ সৰ্বোময় কৰ্তৃত্ব প্ৰদান কৰি পৰিচালিকা নিযুক্ত কৰা হয়। পিছদিনাৰ পৰা স্বৰ্ণপ্ৰভাই চতিয়া আৰু নাগশংকৰৰ বাৱনখন গাঁৱত প্ৰায় দুমাহ কাল সভা পাতি শক্তিশালী সংগঠন গঢ়ি তোলে। সদৌ পৰ্বতীয়া মহিলা সমিতি গঢ়ি তুলি শাখা সমিতি, শুশ্ৰূষা বাহিনী, স্বেচ্ছাসেৱিকা বাহিনী গঠন কৰা হয়। ইয়াৰ পাছত মালৌ পথাৰত সহস্ৰাধিক মহিলা ঐক্যবদ্ধ হৈ স্বাধীনতাৰ বাবে মৃত্যু বাহিনীৰ শপত লয়। সৰ্বাধিনায়িকা হয় পদুমী গগৈ বৰুৱা। এই মৃত্যু বাহিনী গঠিত হৈছিল ২০ ছেপ্তেম্বৰত থানাসমূহৰ পতাকা তোলাৰ বাবে। 'গহপুৰ, বিহালী, চতিয়া, তেজপুৰ, ঢেকিয়াজুলি থানাত পতাকা তুলিবলৈ মৃত্যুবাহিনী গঠিত হৈছিল। সংগঠনৰ দায়িত্ব আছিল জ্যোতি আগৰৱালা আৰু পুষ্পলতা বাইদেউৰ ওপৰত (স্বৰ্ণপ্ৰভা মহন্ত 'কথোপকথন')। ২০ ছেপ্তেম্বৰৰ কাৰ্যসূচীৰ বাবে পুষ্পলতা দাস প্ৰধানকৈ গহপুৰ আৰু ঢেকিয়াজুলিৰ দায়িত্বত আছিল। স্বৰ্ণপ্ৰভা মহন্ত চতিয়া-নাগশংকৰৰ দায়িত্বত আছিল। গহপুৰত ১৯ ছেপ্তেম্বৰত

আৰু তাৰ আগতে হোৰা সংগঠনৰ সভাত কনকলতাই মৃত্যু বাহিনীৰ সৈনিক ৰূপে পতাকা তোলাৰ সংকল্প লয়। ২০ ছেপ্তেম্বৰত কনকলতা, মুকুন্দ কাকতিয়ে গহপুৰত প্ৰাণ দিয়ে; মনবৰ, ভোগেশ্বৰ আদিয়ে ঢেকিয়াজুলিত আত্মবলিদান দিয়ে। গহপুৰ, ঢেকিয়াজুলিত পতাকা উত্তোলন কৰিবলৈ গৈ এৰৈকেশজন শ্বহীদ হয়। স্বৰ্ণপ্ৰভাৰ বাহিনীত মহেশ্বৰী বৰা, ভগৰতী হাতী বৰুৱা আৰু দুগৰাকীমান মহিলা আছিল। ২১ ছেপ্তেম্বৰত তেজপুৰত পতাকা উত্তোলন কৰা হয়। চতিয়াত ২০ ছেপ্তেম্বৰত পতাকা উত্তোলন কৰা হয়। চতিয়াৰ বিশিষ্ট নাগৰিকসকলে গোপনে আলোচনা কৰি পতাকা উত্তোলনৰ সময় সলনি কৰি কৌশলেৰে পৰিস্থিতি নিজৰ হাতলৈ আনে আৰু গুলী চালনাৰ পৰা চতিয়া ৰক্ষা পৰে। স্বৰ্ণপ্ৰভা মহন্তৰ নিজৰ ভাষাৰে - 'পতাকা তোলেতে গুলী হোৱা হ'লে চতিয়া থানাতে চতিয়া ক্ষুদ্ৰ জালিয়ানৱালাবাগ হ'লহেতেনে।'

এই ঘটনাৰ পাছত কংগ্ৰেছ কৰ্মীসকল, শান্তি সেনা দলে দলে গ্ৰেপ্তাৰ হৈছিল। অন্য কেইবাজনকো গ্ৰেপ্তাৰ কৰি জৰিমনা বিহা হ'ল। স্বৰ্ণ প্ৰভাৰ তিনিগৰাকী সহযোগী শিক্ষয়িত্ৰী তথা অধিনায়িকা এই প্ৰক্ৰিয়াত গ্ৰেপ্তাৰ বৰণ কৰে। মহেন্দ্ৰ বৰকটকী, বীৰেণ বৰকটকী, কেশৱ মহন্ত আদি ছাত্ৰসকল, সেইসময়ত উত্তেজিত ভাষণ প্ৰদান কৰা চতিয়াৰ বিমান বৰা আদি গ্ৰেপ্তাৰ হোৱাত চতিয়াত কংগ্ৰেছ কৰ্মী শূন্য হৈ পৰাৰ দৰে হ'ল। এনে সময়ত স্বৰ্ণপ্ৰভাই সাহসেৰে ঘোষণা কৰিলে যে, আন্দোলন এতিয়া নাৰীয়ে চলাব লাগিব।

'৪২ ৰ ২৭ নৱেম্বৰত চৰকাৰে সেনা বাহিনী মেলি দিলে চতিয়াত। স্বৰ্ণপ্ৰভাৰ ওপৰতো নেতৃত্বৰ ফালৰ পৰা আত্মগোপনৰ নিৰ্দেশ আহিল। স্বৰ্ণ প্ৰভাইও যঁতৰ সামৰি, কাগজ পত্ৰ নিৰ্ভৰযোগ্য ঠাইত লুকুৱাই নিজেও আত্ম গোপন কৰে। মিলিটেৰীয়ে স্বৰ্ণপ্ৰভাক বিচাৰি ঘৰত মানৰ আক্ৰমণ চলালে, ঘৰৰ বস্তু লণ্ডভণ্ড কৰিলে, স্বেচ্ছাসেৱিকা সকলক কোবালে, যঁতৰ ভাঙিলে।

'৪২ ৰ গণ বিপ্লৱৰ সময়ত স্বৰ্ণপ্ৰভা আছিল ওঠৰ বছৰীয়া। মিলিটেৰীৰ অত্যাচাৰৰ পৰা হাত সৰাৰ উদ্দেশ্যে স্বৰ্ণপ্ৰভা বৰগছৰ তলে তলে, আনৰ ঘৰত লুকাই আত্মৰক্ষা কৰে। আত্মগোপনৰ পাছত স্বৰ্ণপ্ৰভাই অসম্পূৰ্ণ



শিক্ষা পূৰণাৰ্থে স্কুললৈ গুচি আহে। কিন্তু বিদ্যালয়ত টেষ্ট হৈ যোৱাত স্বৰ্ণপ্ৰভা আকৌ ঘৰ পায়হি। তেওঁ পুনৰ গহন চন্দ্ৰ গোস্বামীক সাক্ষাত কৰে আৰু তেখেতৰ পৰামৰ্শমতে গঠনমূলক কামত যুক্ত হয়। এই সময়ত জয়প্ৰকাশ নাৰায়ণৰ অধীনত শান্তি সেনানীয়ে বিভিন্ন কূটাঘাতৰ আঁচনি লয়। স্বৰ্ণপ্ৰভাইও মাজে মাজে আত্ম গোপন কৰি নেতাসকলৰ পৰামৰ্শমতে পঢ়া-শুনাত লাগে। আত্মৰক্ষাৰ বাবে স্বৰ্ণপ্ৰভাৰ নেতৃত্বত কেইবাগৰাকীও ছোৱালীয়ে যুযুৎসু, মুষ্টিযুদ্ধ, লাঠিখেল আদি শিকে।

চতিয়াৰ ভোলা হাজৰিকাই ডিনামাইট তৈয়াৰ কৰিবলৈ শিকিছিল; স্বৰ্ণপ্ৰভাই য'খাৰৰ যোগান ধৰিছিল। লাঠিবোৰ ভগা কাচৰ লগত বান্ধি ধাননি পথাৰত লুকুৱাই মনে মনে বিজয় ভাগৱতীৰ ঘৰ পোৱাইছিলগৈ।

স্বৰ্ণপ্ৰভাৰ নেতৃত্ব আৰু পৰিচালনাত সদৌ পৰ্বতীয়া স্বদেশী মহিলা সমিতি আৰু সদৌ চতিয়া কংগ্ৰেছ মহিলা সমিতিয়ে যৌথভাবে স্বাধীনতা আন্দোলন আৰু মহিলাৰ সাংগঠনিক উন্মেষ - দুয়োটা লক্ষ্যতে আগবাঢ়ি গৈছিল। স্বৰ্ণপ্ৰভাৰ সাংগঠনিক সহযাত্ৰী আছিল শিক্ষয়িত্ৰী পূৰ্ণদা দেৱী, মহেশ্বৰী বৰা, সিদ্ধেশ্বৰী মহন্ত, দীনেশ্বৰী হাজৰিকা, লাৱণ্য হাজৰিকা, সুধাৰতী হাতী বৰুৱা, শিক্ষয়িত্ৰী সকল ক্ৰমে কোষেশ্বৰী দেৱী, গোলাপী ভূঞা। কোষেশ্বৰী দেৱী, গোলাপী ভূঞা, পদুমী গগৈ বৰুৱাই কাৰাবাস খাটিবলগীয়া হৈছিল। স্বৰ্ণপ্ৰভাই কেতিয়াবা আত্মগোপন কৰি, কেতিয়াবা সেনা-পুলিচৰ চকুত ধূলি-মাৰি সংগঠন তথা বাহিনীৰ কাম-কাজক আগুৱাই নিছিল। তাৰ বাবে স্বৰ্ণপ্ৰভা আৰু পৰিয়ালৰ অন্যান্য সকলে পুলিচী নিৰ্যাতনৰ বলি হ'বলগীয়া হৈছিল।

**নাৰী সংগঠক স্বৰ্ণপ্ৰভা ঃ**

ছাত্ৰীসকলৰ মানসিক উৎকৰ্ষ সাধনৰ বাবে গঠিত 'ছাত্ৰী হিত সাধনী সভা'ৰ কাৰ্যক্ৰমণিকাই চেমনীয়া স্বৰ্ণপ্ৰভাৰ মনত সমাজৰ এই অংশটোক-নাৰী সমাজক সংগঠিত কৰাৰ তাড়নাৰ জন্ম দিছিল বুলি ক'ব পাৰি। দেশত স্বাধীনতা আন্দোলনৰ জোৱাৰ- নাৰী-পুৰুষ নিৰ্বিশেষে সংগ্ৰামৰ কাৰ্যসূচীত অংশগ্ৰহণ আদিয়ে অনুপ্ৰাণিত কৰিছিল স্বৰ্ণপ্ৰভাক। অংকত তীক্ষ্ণ বুদ্ধিৰ

পৰিচয় দিয়াৰ বাবেই 'ছাত্ৰী হিতসাধনী সভা'ৰ তেওঁ প্ৰথমতে ধন-ভঁৰালীৰ বাব পাইছিল। পৰৱৰ্তী বৰ্ষত সভাৰ সম্পাদিকা পদত নিৰ্বাচিত হয়। ইয়াৰ লগে লগে স্বৰ্ণপ্ৰভাই কংগ্ৰেছী ভলণ্টিয়াৰসকলৰ স'তে আন্দোলনৰ পুঁজি সংগ্ৰহৰ বাবে সুৰ বাহিনীতো জড়িত হৈ পৰিছিল শৈশৱতে।

মাহীয়েক দীনকান্তি মহন্তৰ প্ৰেৰণাতে স্বৰ্ণপ্ৰভা মহন্তই মহিলা সংগঠন কৰাৰ প্ৰেৰণা লাভ কৰে। ১৯২১ৰ অসহযোগ আন্দোলনৰ সময়তে চতিয়াত এখন মহিলা সমিতি আছিল, স্বৰ্ণপ্ৰভাৰ মাহীয়েকৰ বিয়া হৈ যোৱাত আৰু সমিতিৰ কৰ্মকৰ্তাসকল বিভিন্ন কামত ভিন ভিন ঠাইলৈ যোৱাত সমিতিখন পৰি আহিবলৈ ধৰে। তাৰ উদ্ধাৰৰ হকে স্বৰ্ণপ্ৰভাই স্কুলৰ বাৰ্ষিক অধিবেশনত এক প্ৰস্তাৱ গ্ৰহণ কৰে। ১৯৩৭ চনত স্বৰ্ণপ্ৰভা তেজপুৰ ছোৱালী হাইস্কুললৈ অধ্যয়নৰ বাবে আহি জ্যোতিপ্ৰসাদৰ সান্নিধ্যলৈ আহে আৰু মহিলা সংগঠন কৰাৰ বিষয়টো সন্মুখলৈ আহে। স্বৰ্ণপ্ৰভাৰ পূৰ্ণ সঁহাৰিয়ে মহিলা সংগঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। স্বৰ্ণপ্ৰভাৰ কথাৰে- '......কাষৰে ষষ্ঠ মানৰ ছাত্ৰী মুক্তেশ্বৰী বৰা, কমলেশ্বৰী বৰাক লগত লৈ গাঁৱে-চহৰে গৈ পইচা তুলিলো। পূবে ৰে'লৰ আলিৰ পৰা পশ্চিমে বেছেৰীয়ালৈ, উত্তৰে সাটী পুখুৰীৰ পৰা দক্ষিণৰ ব্ৰহ্মপুত্ৰলৈ- এই বিৰাট অঞ্চলটো, দ চুবুৰি, লেঙেৰা চুবুৰি, সাঁকো চুবুৰি, বাঢ়ৈ চুবুৰি- এই চাৰিটা অঞ্চল লগ কৰি সংগঠন আৰম্ভ কৰিলো। উদ্দেশ্য খাদী প্ৰচাৰ আৰু কংগ্ৰেছৰ কামৰ প্ৰচাৰ- মোৰ বয়স কম যদিও সকলোৱে সমীহ কৰিছিল...।'

স্বৰ্ণপ্ৰভা ১৯৩৭ চনৰ পৰা ১৯৪১ চনলৈ বৃহত্তৰ পৰ্বতীয়া স্বদেশী মহিলা সমিতিৰ সম্পাদিকাৰ দায়িত্বত আছিল। স্বাধীনতাই এই মহিলা সংগঠনৰ মুল দাবী আছিল। 'নাৰীৰ অধিকাৰ বোলা শব্দটো তেতিয়া নাছিলেই' (স্বৰ্ণপ্ৰভা)। ১৯৬৪ চনত তেজপুৰ মহিলা সমিতিৰ সভানেত্ৰী মীনা আগৰৱালাৰ সহযোগত এই সমিতি পুনৰ কাৰ্যক্ষম কৰি তোলা হয়।

উল্লেখযোগ্য যে স্বৰ্ণপ্ৰভা মহন্ত ১৯৩১ চনৰ পৰা ১৯৪২ চনলৈ ছাত্ৰ ফেডাৰেশ্যনৰ ছেক্ৰেটাৰী আছিল। এই ফেডাৰেশ্যনৰ হৈ স্বৰ্ণপ্ৰভাই স্কুল ধৰ্মঘট আদিৰ নেতৃত্ব দিছিল। পৰাধীনতাৰ শৃংখল মোচনৰ হকে এই সংগঠনে ছাত্ৰ সমাজত কাম কৰিছিল।



স্বাধীনতাৰ ঠিক আগে আগে স্বৰ্ণপ্ৰভা মৃতপ্ৰায় তেজপুৰ মহিলা সমিতিৰ কামত জড়িত হয়। স্বৰ্ণপ্ৰভা মহন্তই নতুন উদ্যোগ, নতুন উদ্যমেৰে সমিতিখন প্ৰাণবন্ত কৰি তোলে। এই সময়ত তেজপুৰ মহিলা সমিতিখন সক্ৰিয় কৰি তোলাৰ কামত ব্ৰতী অন্যান্যসকল আছিল ক্ৰমে চন্দ্ৰবালা বৰুৱা, কিৰণময়ী বৰকাকতি, লাৱণ্য বৰা, হেমলতা বৰুৱা (মীনা আগৰৱালাৰ মাতৃ) তৰু শইকীয়া, মীনা আগৰৱালা। ব্যক্তিগত দাৰিদ্ৰতা, শিক্ষা গ্ৰহণ, স্বাধীনতা সংগ্ৰামৰ মাজতে স্বৰ্ণপ্ৰভাই সমিতিখন উজ্জীৱিত কৰি তোলাৰ বাবে নিজৰ সৰ্বোচ্চ  শক্তি উবুৰিয়াই দিলে। স্বাস্থ্য আৰু শিক্ষা বিভাগ, সেৱিকা বাহিনী, সাংস্কৃতিক বিভাগ, ৰাষ্ট্ৰভাষা প্ৰচাৰ ইত্যাদি ক্ষেত্ৰত স্বৰ্ণপ্ৰভাই সমিতিৰ জৰিয়তে কৰ্মসূচী গ্ৰহণ কৰে। সংগঠনৰ সদস্যভৰ্ত্তি আৰু পুঁজি টনকিয়াল কৰাৰ বাবে নাৰী সমাজক যুক্ত কৰে।

উল্লেখযোগ্য যে, সামাজিক আৰু সাংস্কৃতিক কাম-কাজৰ বাবে নাৰী সমাজক আজৰি সময়ৰ ব্যৱস্থা কৰি দিবলৈ সেই সময়ত মীনা আগৰৱালাৰ প্ৰস্তাৱ আৰু স্বৰ্ণপ্ৰভা মহন্তৰ সমৰ্থিত এটা প্ৰস্তাৱে সেই সময়ত বৌদ্ধিক চিন্তা জগতত এক প্ৰতিক্ৰিয়া সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। যি প্ৰস্তাৱ সম্পৰ্কে জ্যোতিপ্ৰসাদ আগৰৱালাইও মতামত ব্যক্ত কৰি ভাৰতীয় মনৰ নব অভ্যুদয় হোৱা বুলি কৈছিল।

অনুসূচিত কৈৱৰ্ত্ত সমাজৰ মাজত সাক্ষৰতাৰ অভিযান চলাই তেজপুৰ মহিলা সমিতিৰ জৰিয়তে স্বৰ্ণপ্ৰভা মহন্তই শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত চানেকি দাঙি  ধৰিবলৈ সক্ষম হৈছিল। ১৯৪৯ চনত ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা প্ৰাদেশিক মহিলা সন্মিলনীলৈ স্বৰ্ণপ্ৰভা আৰু মীনা আগৰৱালাৰ নেতৃত্বত তেজপুৰৰ পৰা ১৯ গৰাকী মহিলা প্ৰতিনিধি গৈছিল।

স্বাধীনতা আন্দোলন সফল কৰাৰ লক্ষ্যত মহিলা সংগঠনৰ স'তে যুক্ত হৈ পৰা স্বৰ্ণপ্ৰভা মহন্ত ১৯৭০ চনলৈকে মহিলা সমিতিৰ স'তে যুক্ত আছিল।

**সংসদীয় ৰাজনীতিত স্বৰ্ণপ্ৰভা ঃ**

১৯৫২,১৯৫৭ চনত স্বৰ্ণপ্ৰভা মহন্তই নিৰ্বাচনত অংশগ্ৰহণ কৰাৰ বাবে

আমন্ত্ৰণ লাভ কৰিছিল, কিন্তু তেখেতে সেই অনুৰোধ গ্ৰহণ নকৰিলে। ১৯৬২ চনত আকৌ তেজপুৰৰ তৰু শইকীয়া আৰু স্বৰ্ণ মহন্তলৈ তেজপুৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিবৰ বাবে বেলেগে বেলেগে প্ৰস্তাৱ আহে। ১৯৬৭ চনত প্ৰাদেশিক মহিলা সমিতি আৰু প্ৰদেশ কংগ্ৰেছে প্ৰাৰ্থী হিচাপে স্বৰ্ণপ্ৰভা মহন্তৰ নাম প্ৰস্তাৱ কৰে যদিও শেষত তেখেতে অংশগ্ৰহণ নকৰিলে। ১৯৭২ চনত কংগ্ৰেছে পুনৰ স্বৰ্ণপ্ৰভা মহন্তৰ নাম প্ৰস্তাৱ কৰে। আৰ্থিকভাৱে তেনেই দুৰ্বল অৱস্থাৰে স্বৰ্ণপ্ৰভা মহন্তই কেৱল 'বজাৰত মেলি দিয়া গোহাৰিখন'ৰেই নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছিল। নিজৰ কাম-কাজৰ জৰিয়তে জিলাখনত জনপ্ৰিয় হৈ পৰা স্বৰ্ণপ্ৰভা ১৯৭২ৰ নিৰ্বাচনত জয়ী হয় আৰু অসম চৰকাৰৰ ৰেচম, বয়ন আৰু সমাজ কল্যাণ দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰে। চাৰি বছৰৰ পাছত অৰ্থাৎ ১৯৭৬ চনত মন্ত্ৰী পদৰ পৰা তেওঁ পদত্যাগ কৰে। ১৯৭৮ চনত তেখেতে সক্ৰিয় ৰাজনীতিৰ পৰা অৱসৰ লয়।

**বিনোৱা ভাৱেৰ ভূদান আন্দোলনৰ স'তে স্বৰ্ণপ্ৰভা ঃ**

ভূদান আন্দোলনৰ নেতা বিনোৱা ভাৱেৰ মেধা, সত্যাগ্ৰহী ৰূপে স্বৰ্ণপ্ৰভা মহন্তক প্ৰভাৱান্বিত কৰিছিল। পদযাত্ৰা কালত ১৯৬১ চনত অসমলৈ আহোঁতে স্বৰ্ণপ্ৰভা মহন্তই তেখেতলৈ অভ্যৰ্থনা আগবঢ়াইছিল। জয় প্ৰকাশ নাৰায়ণ আৰু পত্নী প্ৰভাৱতীৰ লগতে স্বৰ্ণপ্ৰভাৰ তেতিয়া সাক্ষাৎ হয়। ১৯৬৫-৬৬ চনত অমলপ্ৰভা দাসৰ স'তে স্বৰ্ণপ্ৰভাই পদযাত্ৰা কৰে। কলাবাৰী, মধ্য ছয়দুৱাৰ, ঘাঁহি গাওঁ ব্লকত ভূদান আন্দোলন সম্পৰ্কে ডাঙৰ-ডাঙৰ সভা অনুষ্ঠিত হৈছিল। ভূদান সম্পৰ্কীয় কিতাপ-পত্ৰ আনি আলোচনা আদি আৰম্ভ হোৱাৰ লগতে স্বৰ্ণপ্ৰভা মহন্তই গ্ৰন্থাগাৰো মুকলি কৰে। স্বৰ্ণপ্ৰভা মহন্ত ভূদান আন্দোলনৰ এগৰাকী সৰ্বোদয় অৰ্থদানী কৰ্মী আছিল।

**সাহিত্যিক আৰু সুবক্তা স্বৰ্ণপ্ৰভা ঃ**

বাকপটু গুণৰ অধিকাৰী স্বৰ্ণপ্ৰভা মহন্ত এগৰাকী তীক্ষ্ণ বুদ্ধি সম্পন্ন ব্যক্তি আছিল। শিক্ষা-সংস্কৃতি অথবা ৰাজনীতি সম্পৰ্কীয় বিষয়ত তেখেতে যতিবিহীনভাৱে কৈ শ্ৰোতাক মোহিত কৰিব পাৰিছিল। গীত-আবৃত্তিও তেখেতে



সুন্দৰকৈ উদাত্ত কণ্ঠেৰে পৰিবেশন কৰিছিল।

সৃষ্টিশীল কৰ্মৰাজিৰ প্ৰতি সততে আগ্ৰহশীল স্বৰ্ণপ্ৰভাই হাতত কলম তুলি লৈছিল। দহ বছৰ বয়সতে তেখেতে 'নদবালা' নামৰ এখনি কবিতা পুথি ৰচনা কৰিছিল। নতুন প্ৰজন্মক দেশাত্মবোধত উদ্বুদ্ধ কৰি তুলিবলৈ সৰু সৰু ল'ৰা-ছোৱালীৰ উপযোগীকৈ তেখেতে ভাৰত বুৰঞ্জীখন শিশু ভাৰত, কিশোৰ ভাৰত, যুব ভাৰত আৰু বৰ্তমান ভাৰত- এই চাৰিটা ভাগত লিখি উলিওৱাৰ আঁচনি লৈছিল। শিশু ভাৰতখন ইতিমধ্যে প্ৰকাশ পাইছে। শৈশৱৰ পৰা পৰিণত বয়সলৈকে স্বৰ্ণপ্ৰভাই বহু কবিতা লিখিছিল, অনুবাদৰ কামো কৰিছিল; অভিনয়ো কৰিছিল।

**সমাজৰ পিছপৰা শ্ৰেণীৰ কল্যাণকৰ কামত স্বৰ্ণপ্ৰভা ঃ**

মহাত্মা গান্ধীৰ আদৰ্শ ভাৰতৰ আদৰ্শ হিচাপে গ্ৰহণ কৰি স্বৰ্ণপ্ৰভাই গান্ধীবাদ সম্পৰ্কে অধ্যয়ন কৰিছিল। সত্য, অহিংসা, নিৰ্ভীক, সকলো ধৰ্মৰ প্ৰতি সম মনোভাৱ, স্বদেশী, স্ব-নিৰ্ভৰশীল আদি ভাৱনা মানি চলিলে সমাজ সমস্যামুক্ত হ'ব বুলি ভবা এইগৰাকী ত্যাগ আৰু প্ৰেমৰ প্ৰতীক স্বৰ্ণপ্ৰভা মহন্তই চিৰ কৌমাৰ্যব্ৰতী হৈ ৰ'ল। ন-দহ বছৰ বয়সতে তপস্বিনী ৰাবিয়া পঢ়ি উচুপি উঠা স্বৰ্ণপ্ৰভাই জীৱন জুৰি দুখীয়া-নিচলাৰ হকে কাম কৰি যাবলৈ সংকল্পবদ্ধ হৈছিল।

**শিক্ষয়িত্ৰী স্বৰ্ণপ্ৰভা ঃ**

বিভিন্ন শিক্ষানুষ্ঠানত কাম কৰাৰ অভিজ্ঞতাৰে পুষ্ট স্বৰ্ণপ্ৰভা মহন্তই ১৯৪৮ চনত তেজপুৰ অসমীয়া মজলীয়া ছোৱালী স্কুলত অস্থায়ী শিক্ষয়িত্ৰী ৰূপে কাম কৰাৰ উপৰি চতিয়া হাইস্কুল, তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়(অস্থায়ী প্ৰধান শিক্ষয়িত্ৰী), লোকনায়ক অমিয় কুমাৰ দাস উঃমাঃ কন্যা বিদ্যালয়, তেজপুৰ-ৰ প্ৰধান শিক্ষয়িত্ৰী, দৰং মহাবিদ্যালয়, ত্যাগবীৰ হেম বৰুৱা কলেজ, জামুগুৰিহাট-ত অধ্যাপনা কৰিছিল, সন্মানীয় পদত অধিষ্ঠিত আছিল।

জীৱনৰ বিচিত্ৰ প্ৰতিভাৰে বৰ্ণিল কৰ্মময় জীৱন নাট সামৰি স্বৰ্ণপ্ৰভা

মহন্তই আমাৰ মাজৰ পৰা বিদায় মাগিলে হয়, কিন্তু পৰৱৰ্তী সময়লৈ থৈ গ'ল যুঁজাৰ সামৰ্থ, ত্যাগ-দেশপ্ৰেমৰ চিৰ উজ্জ্বল প্ৰতিভা। এই লেখিকাই ১৯৪২ চনৰ মৃত্যু বাহিনীৰ সৈনিক, মুক্তি যুঁজাৰু, সমাজ কৰ্মী, শিক্ষাব্ৰতী তথা প্ৰাক্তন মন্ত্ৰী স্বৰ্ণপ্ৰভা মহন্তৰ এটি অন্তৰংগ সাক্ষাৎকাৰ ২০০৯ৰ আৰম্ভণিতে গ্ৰহণ কৰিছিল। নিজৰ শাৰীৰিক অসুস্থতা স্বত্বেও মুক্তিযুঁজাৰুগৰাকীয়ে এই লেখিকাক তেখেতৰ জীৱনৰ কৰ্মসাগৰত অৱগাহন কৰাৰ সুযোগ দিছিল। লেখিকাৰ 'কথোপকথন' শীৰ্ষক কিতাপত এই সাক্ষাৎকাৰটি সন্নিৱিষ্ট কৰা হৈছে। 'কথোপকথন' প্ৰকাশ পায় জানুৱাৰী, ২০১০ চনত।

আজীৱন শিক্ষাব্ৰতী স্বৰ্ণপ্ৰভা মহন্তৰ শৈক্ষিক আৰু সাংস্কৃতিক দিশত কৰি যোৱা চিন্তা-ভাৱনা আৰু কৰ্মপ্ৰেৰণাৰ আভাস হিচাবে সাক্ষাৎকাৰৰ কিয়দাংশ আগবঢ়োৱা হ'ল -

**শৈক্ষিক আৰু সাংস্কৃতিক ক্ষেত্ৰত স্বৰ্ণপ্ৰভা মহন্তৰ চিন্তা সম্পৰ্কে কথোপকথনৰ কিয়দাংশ ঃ**

? বৰ্তমান টিউচনমুখী শিক্ষা ব্যৱস্থা, নিজৰ দেশৰ বাহিৰত গৈ শিক্ষা গ্ৰহণৰ প্ৰৱণতাক আপুনি কিদৰে লৈছে ?

**স্বৰ্ণপ্ৰভা মহন্ত ঃ** ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি, শিক্ষকৰ শিক্ষা কমিছে; পাঠ্যক্ৰমও সলনি হৈছে। আজিৰ কম শিক্ষকে অধিক ছাত্ৰ-ছাত্ৰীক মনোযোগ দিব নোৱাৰে। মুখস্থ কৰিলেই ল'ৰাই পাচ কৰিব পাৰে, স্বাভাৱিক ভাৱেই ঘৰুৱা শিক্ষকৰ চাহিদা বাঢ়িছে। কিন্তু ই ব্যৱসায়ভিত্তিক হৈ পৰিছে। বৰঞ্চ স্কুলৰ পাঠদান নিবিড়, উন্নত হ'ব লাগে, টিউচনটোক ব্যৱসায় ভিত্তিত ল'ব নালাগে। বাহিৰৰ শিক্ষা উন্নত বুলি ভাবে। তাৰোপৰি প্ৰায় দুশ বছৰ বিদেশীৰ তলত আছিল - বাহিৰৰটো ভাল বুলি ভাবে। মিছাও নহয়, আমাৰ আনন্দৰাম বৰুৱাওতো বিদেশলৈ পঢ়িবলৈ গৈছিল।

? কিন্তু তেওঁতো ঘূৰি আহিছিল দেশলৈ, আজিকালি বহুতে ঘূৰি আহিব নিবিচাৰে। এই সম্পৰ্কে আপোনাৰ মতামত ?

**স্বৰ্ণপ্ৰভা বৰুৱা ঃ** বিলাতলৈ মানুহ উচ্চ শিক্ষাৰ বাবে যায়। হয়তো সেই



প্ৰেৰণাতে আমাৰ ল'ৰা-ছোৱালী পঢ়িবলৈ যায়। তাত শিক্ষা লৈ চাকৰি লয়। অৱশ্যে এতিয়া সলনি হৈছে। সেই জীৱন আৰম্ভ কৰোঁতে তাৰ জীৱন ধাৰণ প্ৰণালী আদিত তেওঁলোক মুগ্ধ হৈ পৰে। কিন্তু তেওঁলোকে তাত শিক্ষা লাভ কৰি নিজ দেশত কাম কৰা হলেহে দেশ উন্নত হ'লহেতেন। দেশপ্ৰেম নহয়, সেই দেশৰ জীৱন ধাৰণ প্ৰণালীৰ প্ৰতিহে তেওঁলোকৰ মোহ বেচি বা সন্মোহিত হয়।

? ভাৰত-চীনৰ '৬২ ৰ যুদ্ধৰ সময়ত সেই চনৰে ১৯ নৱেম্বৰ তাৰিখে বিপ্লৱী সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাক কঁকালত ৰচিৰে বান্ধি সেই সময়ত কংগ্ৰেছ চৰকাৰে গ্ৰেপ্তাৰ কৰি তেজপুৰৰ মজিয়াইদি লৈ গৈছিল। চৰকাৰৰ এই কাৰ্যক আপুনি প্ৰতিবাদ কৰিছিল নেকি ? যদি কৰা নাছিল, কিয় কৰা নাছিল?

**স্বৰ্ণপ্ৰভা মহন্ত ঃ** কিছুমান ৰাজনৈতিক বিষয় আছে সেইবোৰ ভাল নাপালেও মানি ল'বলগীয়া হয়। মই তেতিয়া কংগ্ৰেছৰ বাবেই সেই অৱস্থা বেয়া পালেও মানি লৈছিলোঁ।

? আপুনি সমাজৰ গ্ৰামীণ পিছপৰা শ্ৰেণী, নিপীড়িত নাৰী সমাজ, দৰিদ্ৰ, দুঃখিতজনৰ মাজত বিভিন্ন সাংগঠনিক কামত জড়িত আছিল। ৰাইজক সংগঠিত কৰিছিল ; সেই অৱস্থাৰ আজিও সলনি হোৱা নাই। প্ৰচলিত ব্যৱস্থাত তেওঁলোকৰ মুক্তি হ'ব পাৰে বুলি আপুনি এতিয়াও ভাবেনে?

**স্বৰ্ণপ্ৰভা মহন্ত ঃ** সত্য, অহিংসা, নিৰ্ভীক, সকলো ধৰ্মৰ প্ৰতি সমানভাব, স্বদেশী, স্বনিৰ্ভৰশীল আদি ভাৱনা মানি চলিলে সমস্যা বহুখিনি সমাধান হ'লহেতেন। .... ধনী - ধনী হৈছে, দৰিদ্ৰ শোষিত, নিপীড়িত হৈছে। আজি আমেৰিকাৰ দৰে ধনী দেশতো দৰিদ্ৰ বাঢ়িছে। ঘটনা প্ৰবাহে যথা সুত ল'বলৈ হয়তো বাধ্য হ'ব। এই অৱস্থা বৰ্ত্তি থাকিলে দুখীয়াৰ মুক্তি হ'ব বুলি নাভাবো।